# বিভিন্ন প্ৰকাৰৰ বাধাগ্ৰস্ততা চিনাক্ত কৰোঁ আহক

## শ্ৰৱণ কথন বাধাগ্ৰস্ততা

- শ্ৰেণীকোঠাত নামধৰি মাতিলেও সহাৰি নজনাই।
- খুব জোৰেৰে বা খুব লাহে লাহে কথা কোৱাৰ প্ৰৱণতা থাকে।
- শিশুটিৰ কাণৰপৰা প্ৰায়েই পুঁজ ওলাই আৰু কাণ, ডিঙি বিষোৱাৰ কথা কয়।
- কথা শুনিবলৈ এখন কাণ আগবঢ়াই দিয়ে।
- আকাৰ ইংগিতেৰে নিজৰ মনোভাৱ প্ৰকাশ কৰিব বিচাৰে।
- শিশুটিৰ কথাৰ সুৰ আৰু উচ্চাৰণত বিসংগতি থাকে।
- কেইবাবাৰো পুনৰবৃত্তি কৰাৰ পিছতহে শিশুটিয়ে বুজিবলৈ সক্ষম হয়।
- শিশুটিয়ে নিজে শুনিবলৈ ইচ্ছা কৰিলেহে শুনে।
- এনে শিশুৱে উচ্চ ধ্বনিৰ স্বৰবৰ্ণ শুনা পায়, কিন্তু মৃদু ব্যঞ্জনবৰ্ণ, যেনে - চ, ক, দ, প, ট আদিৰ পাৰ্থক্য বুজাত অসুবিধা পায়।

## মানসিক বাধাগ্ৰস্ততা

- মন্থৰ প্ৰতিক্ৰিয়া।
- সোনকালে শিকাৰ অসমৰ্থতা।
- সিদ্ধান্ত লোৱাৰ অসমৰ্থতা।
- স্মৰণ কৰাৰ অপাৰগতা।
- স্পষ্টতাৰ অভাৱ।
- সোনকালে বুজি পোৱাৰ অসমৰ্থতা।
- মনোযোগৰ অভাৱ।
- সহযোগিতাৰ অভাৱ।
- খিঙখিঙিয়া স্বভাৱ।
- মন্থৰ বিকাশ।

## দৃষ্টি বাধাগ্ৰস্ততা

- শিশুৱে চকুযোৰ মোহাৰি থাকিলে বা বন্ধ কৰিলে।
- এটা চকু ঢাকি প্ৰায়েই আনটো চকুৰে চাব বিচাৰিলে।
- চকুৰ অত্যন্ত ওচৰলৈ আনি চাব বিচাৰিলে।
- হঠাৎ দেখোতে অসুবিধা হোৱা বা ধীৰে ধীৰে কম দেখা হোৱা অৱস্থা হ'লে।
- কিছু সময় লেখা পঢ়া কৰাৰ পাছত মূৰ ঘূৰালে বা বিষালে।
- শিশু বা ব্যক্তিয়ে শ্ৰেণীকোঠাত ব্লেক বোৰ্ডৰ ফালে আৰু ব্লেক বোৰ্ডত লিখা কথাখিনি টোকা বহীত লিখোতে কেৰাহিকৈ চালে বা অধিকাংশই বাদ পৰিলে।
- দূৰৈৰ বস্তু স্পষ্ট ভাৱে নেদেখিলে।
- টিভি চোৱাৰ সময়ত বাৰে বাৰে ওচৰলৈ গৈ চাব বিচাৰিলে।
- হঠাতে চকু ফুলিলে বা চকু ৰঙা পৰিলে।
- চকুৰ পৰা অনবৰত পানী ওলাই থাকিলে।
- চকুৰ গৰম ভাৱ নাইবা কটা যোৱাৰ নিচিনা অনুভৱ হ'লে।
- শিশুৰ অলপ দূৰত ৰখা খেলা বস্তু আদি চিনাক্ত কৰণত অসুবিধা হ'লে।
- হঠাৎ দেখোতে অসুবিধা হোৱা বা ধীৰে ধীৰে কম দেখা হোৱা অৱস্থা হ'লে।
- পোহৰত দেখোতে অসুবিধা হ'লে।
- সন্ধিয়া বা ৰাতি কম দেখা হ'লে।
- ৰং আদি চিনাক্ত কৰণত অসুবিধা পালে।
- একেটা বস্তুকে দুটা বা অধিক ৰূপত দেখিলে।
- দৃষ্টি ক্ষেত্ৰত দুয়ো চকুৰ মাজত পাৰ্থক্য থাকিলে।
- চকু জুৰি কেঁৰা বা অস্বাভাৱিক আকৃতিৰ হলে।

সৰ্বশিক্ষা অভিযান, অসম
প্ৰতিখন বিদ্যালয় সুগম হ'ব, প্ৰতিগৰাকী শিশু বিদ্যালয়লৈ যাব